**জনসংযোগ, অসম** **চি এম পি আৰ চেল, প্ৰেছ বাৰ্তা ঃ ২৭১**

# কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ২০১৬ বৰ্ষৰ পঞ্চম আৰু অষ্টম শ্ৰেণীৰ বৃত্তি পৰীক্ষাৰ জলপানি প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে
## আধুনিক তথ্য-প্ৰযুক্তি আৰু উদ্ভাৱনী কৌশলৰ সৈতে সুপৰিচিত হ'বলৈ ছাত্ৰ-ছাত্ৰী সকলক মুখ্যমন্ত্ৰীৰ পৰামৰ্শ

**দিছপুৰ, ৮ মে' ঃ** 'ছাত্ৰ-ছাত্ৰী সকল হ'ল দেশৰ ভৱিষ্যত। এই ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতে দেশ গঢ়াৰ ক্ষেত্ৰত গধুৰ দায়িত্ব পালন কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক উৎকৃষ্ট মানৰ সম্পদ হিচাপে গঢ়ি তুলিব পাৰিলে ৰাজ্যখনৰ বিকাশ অধিক ত্বৰান্বিত হৈ পৰিব।' - আজি সৰুসজাই ষ্টেডিয়ামত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ২০১৬ বৰ্ষৰ পঞ্চম আৰু অষ্টম শ্ৰেণীৰ ২০১৬ বৰ্ষত বৃত্তিলাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰত্যেকলৈ ৫ হাজাৰ টকাৰ জলপানিৰ ম্যাদী জমাকৰণ পত্ৰ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। মুখ্যমন্ত্ৰী সোণোৱালে কয় যে শিক্ষাৰ মান উন্নত কৰা আৰু ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত মানৰ সম্পদ হিচাপে গঢ় দিয়াৰ বাবে শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু চৰকাৰে ঐক্যবদ্ধভাৱে কৰ্মত অগ্ৰসৰ হ'ব লাগিব। এই চাৰিওটা শক্তিয়ে যৌথভাৱে আৰু একগ্ৰতাৰে কাম কৰিলে ৰাজ্যখনে উন্নয়নৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰিবলৈ সক্ষম হ'ব। শিক্ষক আৰু অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীসকলক শৃংখলাবদ্ধভাৱে জীৱনৰ বাটত আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰাৰ বাবে আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিভাসমূহ যাতে সময়ৰ বুকুত বিলীন হৈ নাযায় তাৰ বাবে সৰ্বাত্মক প্ৰচেষ্টা অব্যাহত ৰাখিব লাগিব।

সমাজত নিজৰ এক আদৰ্শ প্ৰতিষ্ঠা কৰাৰ বাবে নিষ্ঠাসহকাৰে নিজৰ লক্ষ্যত ব্ৰতী হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ আগবঢ়াই মুখ্যমন্ত্ৰীয়ে কয় যে পৰিস্কাৰ মন আৰু পৰিস্কাৰ কামৰ দ্বাৰাহে মহান কাম সম্ভৱ। ভাল নাগৰিক হিচাপে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী যাতে উজলি উঠিব পাৰে তাৰ বাবে তেওঁলোকৰ মাজত আত্মবিশ্বাসৰ ভাৱ জগাই তুলিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে তেনে পৰিৱেশ ৰচনা কৰিব পাৰিলে ছাত্ৰ-ছাত্ৰীসকলে নিজেই উন্নতিৰ জখলা নিৰ্মাণ কৰিব পাৰিব। সফলতাৰ বাবে কষ্ট কৰিবই লাগিব। তাৰ কোনো বিকল্প পথ নাই। প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামৰ উদ্ধৃতি দি তেওঁ কয় যে যদিহে তুমি জীৱনত জিলিকি উঠিব বিচৰা তেন্তে সূৰ্যৰ দৰে জিলিব লাগিব। ৰাজ্য চৰকাৰে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নীতি সৰোগত কৰি সংস্কাৰ, কৰ্তব্যপালন আৰু পৰিৱৰ্তনৰ বাটত ধাৱমান হৈছে। ৰাজ্যখনৰ সকলো স্তৰত পৰিৱৰ্তনৰ বতাহ বোঁৱাই দিবলৈ আধুনিক তথ্য-প্ৰযুক্তি আৰু উদ্ভাৱনী কৌশলৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক সুপৰিচিত হ'বলৈ মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ আগবঢ়ায়।

অনুষ্ঠানত ভাষণ দি শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে ২০১২ -১৩ বৰ্ষত অসম চৰকাৰে মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি আঁচনি আৰম্ভ কৰিছিল যাতে ইয়াৰ জৰিয়তে পঞ্চম আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ ৰাজ্যিক ভিত্তিত মেধাৰ মূল্যাংকন কৰাতো সম্ভৱ হয়। বিগত কিছু বছৰ ধৰি এই আঁচনি বন্ধ হৈ আছিল যদিও বৰ্তমান চৰকাৰে অগ্ৰাধিকাৰৰ ভিত্তিত এই আঁচনি আৰম্ভ কৰিছে। শিক্ষা মন্ত্ৰী গৰাকীয়ে কয় যে অহা বৰ্ষৰ পৰা এই বৃত্তি পৰীক্ষা ছেৱাৰ দ্বাৰা পৰিচালিত হ'ব আৰু ছাত্ৰ-ছাত্ৰীসকলক নম্বৰ তালিকা প্ৰদান কৰা হ'ব। জীৱনত অধিক সফলতাৰ বাবে সপোন দেখিবলৈ আহ্বান জনাই মন্ত্ৰী গৰাকীয়ে কয় যে

এই বৃত্তি লাভ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক জীৱনৰ সফলতাৰ আৰম্ভণিহে মাত্ৰ। শিক্ষক সকলক ৰূপান্তৰৰ খনিকৰ বুলি আখ্যা দি মন্ত্ৰী শৰ্মাই সেই প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলক সোণৰ লগত তুলনা কৰি শিক্ষকসকলক অলংকাৰলৈ ৰূপান্তৰ কৰাৰ প্ৰয়াস চলাবলৈ শিক্ষা মন্ত্ৰী গৰাকীয়ে আহ্বান জনায়।

শিক্ষামন্ত্ৰী শৰ্মাই কয় যে এই বৃত্তি আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ৫ হাজাৰ টকাৰ ম্যাদী জমাকৰণ পত্ৰ লাভ কৰিছে। অনাগত দিনত উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই ধন তেওঁলোকৰ সহায়ক হ'ব। মন্ত্ৰী গৰাকীয়ে এমাহৰ ভিতৰতে ৰাজ্যখনৰ সকলো জিলাতে এই বৃত্তিৰ জলপানি প্ৰদান কৰিবলৈ শিক্ষা বিষয়াসকলক নিৰ্দেশ দিয়ে। শিক্ষা মন্ত্ৰী গৰাকীয়ে লগতে কয় যে অহা বৰ্ষৰ পৰা এই বৃত্তিৰ ধনৰাশি আৰ টি জি এছ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলক প্ৰদান কৰা হ'ব বুলিও কয়।

অনুষ্ঠানত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্বাবিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাইও ভাষণ দিয়ে। আজিৰ এই অনুষ্ঠানত প্ৰাথমিক শিক্ষা বিভাগৰ আয়ুক্ত সচিব প্ৰীতম শইকীয়া, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত ড° এম অংগমুথু, সৰ্বশিক্ষা অভিযানৰ অভিযান সঞ্চালক অৰুণা ৰাজৰিয়া, প্ৰাথমিক শিক্ষা সঞ্চালক সঞ্জীৱ ভূঞা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ পঞ্চম শ্ৰেণীৰ ৪৬৮০৯ গৰাকী আৰু অষ্টম শ্ৰেণীৰ ৪৬৯৬৪ গৰাকী ছাত্ৰ-ছাত্ৰীক জলপানি প্ৰদান কৰা হয়।

বীঃগঃ / পুঃডেঃ / বঃভাঃ
৮/৫/২০১৭